গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক
সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে
R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১১ এপ্ৰিল, ২০২৫/২৮ চ'ত ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৫১ ● Vol - 13, Issue - 51

কাৰিকৰী বিজুতিৰ বাবে ৪ এপ্ৰিল ২০২৫ৰ সংখ্যাটো ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰা হ'ল। তাৰ বাবে আমি দুঃখিত।

— সম্পাদক

## বাথৌ ধৰ্ম পৃথিৱীৰ অতি প্ৰাচীন ধৰ্মবোৰৰ ভিতৰত অন্যতম ঃ মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তামুলপুৰ জিলাৰ পথালিকুছিত আয়োজিত সদৌ বাথৌ মহাসভাৰ ৩২ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়যে জাতীয় সংগঠন সদৌ বাথৌ মহাসভাই বড়োসকলৰ ধৰ্মীয়, আধ্যাত্মিক, সাংস্কৃতিক আৰু ভাষিক চিন্তা-চেতনাক গভীৰভাৱে আলোড়িত কৰি আহিছে । ১৯৯২ চনৰ ১৫ মে'ত ৰূপনাথ বসুমতাৰী আৰু বানেশ্বৰ বসুমতাৰীৰ নেতৃত্বত প্ৰতিষ্ঠা হোৱা এই অগ্ৰণী সংগঠনে বিগত সময়ছোৱাত বড়োসকলৰ ধৰ্মীয় আৰু আধ্যাত্মিক জীৱনশৈলীত সাগৰ সদৃশ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে এই দুয়োগৰাকী পুৰোধা ব্যক্তিৰ লগতে এই সংগঠনৰ সৈতে জন্মলগ্নৰে পৰা জড়িত হৈ থকাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰাচীন কামৰূপ আধ্যাত্মিক জীৱনশৈলীৰ মাজত বড়োসকলৰ ধৰ্মীয় আচাৰ-নীতিসমূহে প্ৰত্যক্ষ প্ৰভাৱ পেলাই সামগ্ৰিকভাৱে ৰাজ্যখনৰ আধ্যাত্মিক জীৱনশৈলীক প্ৰভাৱিত কৰি *৭ পৃষ্ঠাত*















# ইতিহাসপ্ৰসিদ্ধ নগঞা শইকীয়া ভোটাই ডেকাৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ আধাৰশিলা স্থাপন বিধায়ক ৰূপক শৰ্মাৰ




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** আহোম ৰাজত্ব কালৰ অত্যাচাৰী শাসক লালুকসোলা বৰফুকনক হত্যা কৰি জাতীয় নায়কলৈ পৰিণত হোৱা নগঞা শইকীয়া ভোটাই ডেকাৰ প্ৰাসংগিকতা চিৰ যুগমীয়া কৰি ৰখাৰ লক্ষ্য আৰু উদ্দেশ্যৰে ভোটাইগাঁৱত ভোটাই ডেকাৰ এটি প্ৰতিমূৰ্তি নিৰ্মাণৰ যোৱা ২৯ মাৰ্চত আধাৰশিলা স্থাপন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। এই উপলক্ষে ভোটাই গাঁও খেলপথাৰত অনুষ্ঠিত হোৱা সভাত বিধায়ক গৰাকীয়ে ভাষণ প্ৰসংগত কয়- ভোটাই ডেকাৰ স্মৃতিৰ স্বাক্ষৰ হৈছে ভোটাইগাঁও। নগঞা বীৰ ভোটাই ডেকাৰ শৌৰ্য্য, বীৰ্য্য, সাহস, দেশপ্ৰেম, ত্যাগ আৰু জাতীয়তাবাদক লৈ আমি সদায় গৌৰৱান্বিত। এইগৰাকী ইতিহাস প্ৰসিদ্ধ বীৰৰ স্মৃতিত নিৰ্মাণ কৰিবলৈ লোৱা এই প্ৰতিমূৰ্তিৰ পৰাই উঠি অহা প্ৰজন্মই নগঞা শইকীয়া ভোটাই ডেকা সম্পৰ্কে ইতিহাস অধ্যয়ন কৰাৰ যথেষ্ট সমল লাভ কৰিব। বিশিষ্ট সমাজকৰ্মী জয়ন্ত কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত নগাঁও জিলাক পৰ্যটনৰ আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প, ভূপেন হাজৰিকা কলা তীৰ্থ, কৰৈয়নী বাৰগঞা মন্দিৰ উন্নয়নৰ লগতে মৰিকলং বিলৰ সৌন্দৰ্য বৰ্দ্ধনৰ কাম পূৰ্ণ গতিত চলি আছে বুলি মন্তব্য কৰাৰ লগতে অসম চৰকাৰৰ আছুতীয়া পুঁজিৰ জৰিয়তে ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ভোটাই ডেকা পূৰ্ণাংগ প্ৰতিমূৰ্ত্তি ভাগৰ কাম অতি শীঘ্ৰেই আৰম্ভ কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমলাকান্ত বৰাই বন্তি প্ৰজ্বলন আৰু বিধায়ক ৰূপক শৰ্মাই নাৰিকল ভাঙি আধাৰশিলা স্থাপন কৰে। লেখক নবীন কলিতাই আঁত ধৰা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ক্ৰমে দেবানন্দ গোস্বামী, ৰিন্টু দাস, কবি, লেখক গোলাপ বৰা, প্ৰতিমূৰ্তিভাগ নিৰ্মাণ কৰিবলগা শিল্পী লক্ষ্যজিৎ বৰা, সাংস্কৃতিক কৰ্মী অশোক কুমাৰ বৰা, কুমুদ বেজবৰুৱা, কিৰণ কুমাৰ নেওগ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে বিধায়কগৰাকীয়ে অসম চৰকাৰৰ আছুতীয়া পুঁজিৰ জৰিয়তে উৰিয়াগাঁও স্থিত শ্ৰীশ্ৰী নিকামূল সত্ৰৰ ড° ভূপেন হাজৰিকা মুকলি ৰঙ্গমঞ্চ সংলগ্ন সভাগৃহৰ আধাৰশিলা স্থাপন কৰে। বিজেপিৰ ভোটাই-পাঠৰী মণ্ডলৰ সভাপতি ৰাতুল কুমাৰ বৰাই আঁত ধৰা সভাতখনত অৱসৰপ্ৰাপ্ত শিক্ষক বৰা, সমাজকৰ্মী হৰ বৰা, ৰাতুল মহন্ত, দীপক বৰা, তোযেশ্বৰ কলিতা, জগত শৰ্মা, জয়ন্ত বৰা প্ৰমুখ্যে বহু লোক উপস্থিত থাকে।

# ডিব্ৰুগড় নগৰৰ নৱ-নিৰ্মিত উৰণীয়া সেঁতু বাগ্মীবৰ নীলমণি ফুকন নামেৰে নামকৰণ কৰিবলৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় সাহিত্য সভাৰ পৃথকে পৃথকে স্মাৰক পত্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় মহানগৰত নৱ-নিৰ্মিত উৰণীয়া সেঁতুখন বাগ্মীবৰ নীলমণি ফুকন নামেৰে নামকৰণ কৰিবলৈ শক্তি, নিয়োগ, দক্ষতা বিকাশ আৰু চিকিৎসা শিক্ষা দপ্তৰৰ মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনক উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই পৃথকে-পৃথকে এক স্মাৰক পত্ৰ প্ৰদান কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই সম্পাদক ৰাতুল গোহাঁইৰ দ্বাৰা স্বাক্ষৰিত স্মাৰকপত্ৰৰ জৰিয়তে বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনৰ আন্তৰিক প্ৰচেষ্টা আৰু বলিষ্ঠ নেতৃত্বত ডিব্ৰুগড় মহানগৰৰ মানকটা পথৰ থানা চাৰিআলিৰ উৰণীয়া সেঁতুখনৰ নিৰ্মানকাৰ্য ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈ উঠা বুলি উল্লেখ কৰি উক্ত উৰণীয়া সেঁতুখন 'বাগ্মীবৰ ককা নীলমণি ফুকন'ৰ নামেৰে নামকৰণৰ বাবে আহ্বান জনায়। ডিব্ৰুগড় তথা সমগ্ৰ অসমৰে গৌৰৱ, অসমীয়া ভাষা, সাহিত্য, সংবাদ পত্ৰৰ, জগতত অমূল্য অবদান আগবঢ়াই যোৱা এগৰাকী প্ৰাতঃস্মৰণীয় স্বনামধন্য সাহিত্যিক, শিক্ষাবিদ, ৰাজনীতিবিদ, সুবক্তা, কবি, কথা-সাহিত্যক, সাংবাদিক, তথা বিশিষ্ট চাহ খেতিয়ক, চিৰ নমস্য বাগ্মীবৰ নীলমণি ফুকনৰ স্মৃতি নৱ প্ৰজন্মৰ মাজত চিৰকাল সজীৱ হৈ থকাৰ উদ্দেশ্যে তেখেতৰ নামত নামকৰণ কৰিবলৈ আহ্বান জনায়। আনহাতে উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সাধাৰণ সম্পাদক ৰাতুল গোহাঁই স্বাক্ষৰিত আন এক স্মাৰকপত্ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনক প্ৰদান কৰি স্মাৰক পত্ৰত কয় যে, ডিব্ৰুগড়ৰ গৌৰৱ ককা নীলমণি ফুকন সাংবাদিকতাৰ স'তেয়ো জড়িত থকাৰ লগতে অসমীয়া 'দৈনিক বাতৰি' নামৰ কাকতখনৰ প্ৰথমজন সম্পাদক আৰু অসমৰ কেইবাখনো আগশাৰীৰ বাতৰি কাকত, আলোচনীৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব পালন কৰি গৈছে। তেওঁ দুবাৰকৈ অসম সাহিত্য সভাৰ সভাপতি, শিৱসাগৰ (১৯৪৪) আৰু ডিব্ৰুগড় (১৯৪৭) অধিৱেশনৰ সভাপতি, দিল্লী সাহিত্য একাডেমি জলপানী প্ৰাপক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি, লীট উপাধি প্ৰাপক, ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন (পূৰ্বৰ জৰ্জ ইন্সটিটিউচন) উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ উপৰি অসমীয়া ভাষা, সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে।







# গ্ৰন্থদান আন দানৰ সৈতে নিমিলে ঃ ড° দেৱজিৎ শইকীয়া

## মাজুলী মহাবিদ্যালয়লৈ বৈষ্ণৱ প্ৰভাত বৰা বুঢ়াভকতৰ গ্ৰন্থদান



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়লৈ বিশিষ্ট বৈষ্ণৱ প্ৰভাত বৰা বুঢ়াভকতে আগবঢ়ালে দুহেজাৰ গ্ৰন্থ। নতুন কমলাবাৰী সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ, মাজুলী জিলা সাহিত্য সভা, সন্মিলিত শিল্পী সমাজকে মুখ্য কৰি কেইবাটাও অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সভাপতি, সমাজকৰ্মী, শিল্পী পেঞ্চনাৰ প্ৰভাত বৰা বুঢ়াভকতে মহাবিদ্যালয়খনলৈ আহি নিজ হাতে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত নিজৰ সংগৃহীত গ্ৰন্থসমূহ দান কৰে। ২০১৬ চনৰ ০৮ অক্টোবৰৰ পৰা শিক্ষাৰ্থীৰ মাজত অধ্যয়নস্পৃহা বৃদ্ধিৰ লগতে পুথিভঁৰাললৈ গ্ৰন্থ সংগ্ৰহৰ উদ্দেশ্যে মাজুলী মহাবিদ্যালয়ে গ্ৰহণ কৰা 'গ্ৰন্থদান মহান দান' শীৰ্ষক কাৰ্যসূচীত ভাগ লৈ বৈষ্ণৱ প্ৰভাত বৰা বুঢ়াভকতে প্ৰদৰ্শন কৰা এই মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। মাজুলী মহাবিদ্যালয় পৰিয়ালে বুঢ়াভকতৰ এই মহৎ দানৰ কথা কোনোকালে নাপাহৰে বুলি উল্লেখ কৰি ড° শইকীয়াই কয়, 'গ্ৰন্থদান আন দানৰ সৈতে নিমিলে। যাক অগ্নিয়ে দাহ কৰিব নোৱাৰে, চোৰেও চুৰি কৰি নিব নোৱাৰে, তেনে জ্ঞান য'ত স্তূপীকৃত হৈ থাকে সেই গ্ৰন্থৰ দান কৰ্মৰ সৈতে যুক্ত হোৱাটো বৰ আদৰণীয় কথা।' সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা, জ্যেষ্ঠ অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগ, ড° ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, কাৰ্তিক নাথ, বসন্ত বৰা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, ড° অৰূপ বুঢ়াগোহাঁই, প্ৰীতিৰেখা গগৈ, প্ৰজ্ঞা পাৰমিতা কৌশিক, ড° শ্ৰুতি তালুকদাৰ, বিদিশা ভট্টাচাৰ্য, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা, গ্ৰন্থাগাৰ সহায়ক দেৱজিৎ বৰুৱা, কৰ্মচাৰী নাৰায়ণ শইকীয়া, প্ৰণৱ হাজৰিকা, পল্লৱজ্যোতি ভূঞা, জয়ন্ত মাধৱ দত্ত, মংগলা পায়েং, জয়ন্ত হাজৰিকা, সৰোজিনী ভূঞা প্ৰমুখ্যে লোকসকল উপস্থিত থাকি দাতাৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে।



# মাজুলী মহাবিদ্যালয়ত গ্ৰন্থমেলা উদ্বোধনী অনুষ্ঠানত ড° বসন্ত কুমাৰ গোস্বামী

## ‘গ্ৰন্থৰ প্ৰসাৰতা বৃদ্ধিৰ বাবে সমালোচনা হ’বই লাগিব’



**বিকাশ শইকীয়া, মাজুলী ঃ** ‘তথ্য আৰু জ্ঞানৰ ৰসাস্বদনেৰে নম্ৰতা, শিক্ষাচাৰ আদি মানৱীয় প্ৰমূল্যবোধ গঢ় দিয়াত গ্ৰন্থই সহযোগ কৰে। যান্ত্ৰিকতাই জীৱনত চমক দিব পাৰে, কিন্তু জীৱনৰ শেষ বয়সলৈকে মানৱ জীৱনৰ লগৰী হ’ব নোৱাৰে। সেয়েহে যুগে যুগে কিতাপ মানৱ জীৱনৰ এৰাব নোৱাৰা অংগ হৈ পৰিছে। অৱশ্যে, কিতাপৰ প্ৰসাৰতা বৃদ্ধিৰ বাবে সুস্থ সমালোচনা হ’বই লাগিব।’- এই বক্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ। মাজুলী মহাবিদ্যালয়ত আৰম্ভ হোৱা দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। আয়তীসকলৰ উৰুলি ধ্বনিৰ মাজত মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বালন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ শিক্ষকসকলে ড° দেৱজিৎ শইকীয়া ৰচিত আৰু অনিল কুমাৰ বৰা সুৰাৰোপিত মহাবিদ্যালয় সংগীতটি পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক নিৰোদ বৰুৱা, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিপাশা পাটগিৰি, ইউ এম কে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱা, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গাম, পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰা, গড়মূৰ পি ডি গোস্বামী মহাবিদ্যালয় অধ্যক্ষ অৰূপজ্যোতি শইকীয়া, মাজুলী সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা, ড° আনন্দ হাজৰিকা। অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জিতেন্দ্ৰ নাথ ডেকা, অমৃতেশ্বৰ চুতীয়া, কিশোৰী মোহন পাল, অৰুণ কুমাৰ পাঠক, জগত হাজৰিকা, যুগল হাজৰিকা, খগেন হাজৰিকা, দধিৰাম বৰুৱা, লোহিত বৰা, সুভদ্ৰা শইকীয়া বৰা প্ৰমুখ্যে লোকসকল উপস্থিত থকা উদ্বোধনী অনুষ্ঠানৰ পিছতেই বিয়লি ১ বজাত মাজুলী জিলা সাংবাদিক সন্থাৰ দ্বাৰা ‘সাংবাদিক সন্মিলন’ অনুষ্ঠিত হয়। মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত ‘সাংবাদিক সন্মিলন’ত ‘গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সাংবাদিকৰ কৰণীয়’ শীৰ্ষক এক বক্তৃতানুষ্ঠানত আদৰণী ভাষণ দিয়ে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্তই আঁত ধৰা বক্তৃনানুষ্ঠানটি উদ্বোধন কৰে ‘আপকু’ৰ কেন্দ্ৰীয় উপ সভাপতি জীৱন বৰুৱাই। আলোচক হিচাপে ভাগ লয় মাজুলী জিলা সাংবাদিক সন্থাৰ উপদেষ্টা বিপিন শইকীয়া, পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথ আৰু বিশিষ্ট লেখিকা অদিতি বৰুৱাই। অনুষ্ঠানত সত্ৰীয়া শিল্পী তথা মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কৰুণা বৰা, ‘আপকু’ৰ মাজুলী জিলাৰ প্ৰাক্তন সভাপতি জ্যোতিষ কুমাৰ তামুলী, সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূএগ আৰু মাজুলী জিলা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূএগ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিয়লি ৪ বজাৰ পৰা মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক সুৰেন্দ্ৰ নাথ মুদৈৰ সঞ্চালনাত এক ব্যতিক্ৰমী অনুষ্ঠান ‘লেখক-পাঠকৰ আড্ডা’ অনুষ্ঠিত হয়। অনুষ্ঠানত যুৱ লেখক-সম্পাদক জয়ন্ত হাজৰিকা, যুৱ সাংবাদিক উৎপল বৰা, যুৱ লেখক কুশদীপ হাটীমতা, যুৱ প্ৰাবন্ধিক ভবানন্দ হাজৰিকা, যুৱ লেখিকা পম্পী হাজৰিকা আৰু যুৱ অধ্যাপিকা কুঁকি কল্পিতা বৰাই অংশগ্ৰহণ কৰিব। আৰু বিয়লি ৪ বজাৰ পৰা ‘লেখক-পাঠকৰ আড্ডা’ শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা ৯:৪৫ বজাত প্ৰাক্-প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈ দুটা শাখাত অনুষ্ঠিত হ’বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক দীপু বৰাই। ১১ বজাৰ পৰা ‘অসমীয়া শিশু সাহিত্য ঃ বৰ্তমান আৰু ভৱিষ্যত’ শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। সাহিত্যিক তথা অৱসৰী অধ্যক্ষ গুণমণি নাথে উদ্বোধন কৰিবলগীয়া আলোচনা চক্ৰ সঞ্চালনা কৰিব ‘মৌচাক’ৰ সহকাৰী সম্পাদক, শিশু সাহিত্যিক জগত বৰাই। বিশিষ্ট ঔপন্যাসিক অধ্যাপক আকাশ দীপ্ত ঠাকুৰ আৰু যুৱ লেখিকা শিক্ষয়িত্ৰী মুনমী দত্ত হাজৰিকাই আলোচক হিচাপে ভাগ ল’ব। বিয়লি ২ বজাৰ পৰা মাজুলী লেখিকা সমাৰোহৰ দ্বাৰা ‘লেখিকা সমাৰোহ’ত বন্তি প্ৰজ্বলন কৰিব মিনতি শইকীয়াই। জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিতব্য সভা উদ্বোধন কৰিব মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সাংগঠনিক সম্পাদিকা ৰুবী শইকীয়াই। জিলা সম্পাদিকা লক্ষিমী বৰা শইকীয়াই আঁত ধৰিব লগীয়া সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ পত্ৰিকা সম্পাদিকা মৃদুস্মিতা নাথে। সন্মিলনত অৰ্ধশতাধিক লেখিকাই অণুগল্প তথা কবিতা পাঠ কৰিব। ৪ বজাৰ পৰা হ’ব লগা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সাংস্কৃতিক কৰ্মী সমৰজিৎ সেনে। অনুষ্ঠানত বিষ্ণু দাস, উৎপলা বৰা প্ৰভৃতি বছা বছা শিল্পীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য প্ৰথমদিনাই বৃহৎ সংখ্যক গ্ৰন্থপ্ৰেমীৰ আগমণ ঘটা গ্ৰন্থমেলাৰ কেউদিনৰ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।






# নদুৱাৰত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছতেই বিজেপিত যোগদান কংগ্ৰেছ দলৰ সক্ৰিয় কৰ্মী



**চন্দন শৰ্মা, তেজপুৰ ঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছতেই কংগ্ৰেছ দলত চৰম আঘাত। নদুৱাৰ সমষ্টিৰ অন্তৰ্গত দহ নং খলিহামাৰী ৱাৰ্ডৰ কংগ্ৰেছ দলৰ মহিলা মৰ্চাৰ প্ৰাক্তন সম্পাদিকা জুনমনি ৰাভা, কংগ্ৰেছ দলৰ পুলিং এজেন্ট ডিম্বেশ্বৰ ৰাভা, উত্তম পৌড়েলে ভাৰতীয় জনতা পাৰ্টিৰ নীতি আদৰ্শৰ লগতে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ উন্নয়ণমূলক কৰ্মৰ প্ৰতি আকৃষ্ট হৈ জামুগুৰিহাটৰ ভৰলীপৰীয়া কন্যকা বহুমুখী কৃষি পামত বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত বিজেপি দলত যোগদান কৰে। যোগদান কাৰ্যসূচীত কংগ্ৰেছৰ সক্ৰিয় কৰ্মীসকলক নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই বিজেপি প্ৰতিক সম্বলিত গামোচাৰে উষ্ম আদৰণি জনায়। লগতে বিধায়কগৰাকীয়ে কয় - ‘এই সমষ্টিৰ ৰাইজে উন্নয়ন বিচাৰে আৰু সেয়ে আন কোনো দলক প্ৰশ্ৰয় নিদিয়ে। কাৰণ বিজেপিয়ে ৰাজ্যত স্থায়ী শান্তি স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিছে। উক্ত যোগদান কাৰ্যসূচীত বিধায়কগৰাকীৰ লগত সংগ দিয়ে অ বি চি মৰ্চাৰ সভাপতি ৰাম নেৱাৰ, দক্ষিণ নদুৱাৰ মণ্ডলৰ উপ সভাপতি উৎপল বৰা, খলিহামাৰী দহ নং ৱাৰ্ডৰ প্ৰাক্তন ৱাৰ্ড সদস্যা আৰতি মালো দাস, শক্তি কেন্দ্ৰৰ অভায়ক সাগৰ ছেত্ৰী, প্ৰাক্তন বুথৰ সভাপতি মোহন আমগাই, প্ৰাক্তন সম্পাদক কৃষ্ণ মালো দাসে।






# মাজুলীত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান ‘চোতাল’ সম্পন্ন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলা কবি সন্মিলনৰ উদ্যোগত কবি ইন্দুলেখা হাজৰিকা আৰু সৰ্বেশ্বৰ হাজৰিকাৰ আতিথ্যত মাজুলী হাজৰিকা গাঁৱৰ নিৱাসী সৰ্বেশ্বৰ হাজৰিকাৰ বাসগৃহৰ চোতালত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী ‘চোতাল’ অনুষ্ঠানটি অনুষ্ঠিত হয়। লোকশিল্পী ৰুণু হাজৰিকাই পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটি সঞ্চালনা কৰে মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকাই। মাজুলী জিলা কবি সন্মিলনৰ সাধাৰণ সম্পাদক শ্যামন্ত পায়েঙে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি উদ্বোধন কৰে বিশিষ্ট কবি তথা ভাষাবিদ ডিম্বেশ্বৰ ভূএগই। ইয়াৰ পিছতে ইন্দুলেখা হাজৰিকাই আদৰণি ভাষণ পাঠ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সম্পাদক দ্বীপ হেষ্টিংছ বৰি আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সূৰ্য কুমাৰ বনিয়া। মাজুলী জিলা কবি সন্মিলনৰ সহকাৰী সম্পাদক লক্ষ্মী নাৰায়ণ শৰ্মাই আঁত ধৰা অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ তৰফে কৃতজ্ঞতা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মাজুলী জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ কথা আৰু কবিতাৰে শুভাৰম্ভ কবিতা পাঠৰ অনুষ্ঠানটিত পঠিত কবিতাসমূহৰ সম্পৰ্কত মন্তব্য প্ৰদান কৰে ক্ৰমে বিশিষ্ট কবি কেশৱ দলে আৰু কৃষ্ণা মেধি হাজৰিকাই। অনুষ্ঠানটিত অসমৰ বিশিষ্ট কবি নিপণ লইং, লক্ষী প্ৰসাদ ৰেগন, জয়ন্ত শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, সৰযু দত্ত বৰুৱা, কুশল হাজৰিকা, জ্যোতি ভূএগ, ৰেখা বৰা, দৰ্শনা দাস, দিগন্ত শইকীয়া, কবিতা শইকীয়া হাজৰিকা, পম্পী হাজৰিকা, পপী দাস, গৌতম দাস, বিদ্যামোহন য়েইন, জ্যোস্না ভূএগ দত্ত, স্বৰ্ণ মুদৈ, কৌশল্যা বায়ন হাজৰিকা, অতুল চন্দ্ৰ বৰা, কেশৱ দলে, ডিম্বেশ্বৰ ভূএগ, যতীন্দ্ৰ নাথ মুদৈ, কৃষ্ণা মেধি, অমিয়া দেৱী বৰঠাকুৰ, পাৰুল বৰা মিলি, গজেন নৰহ, ৰিতা শইকীয়া, অনন্ত ঙাটে, লক্ষীন্দ্ৰ দাস, শ্যামন্ত পায়েং প্ৰমুখ্যে প্ৰায় পঞ্চাশগৰাকী কবিয়ে কবিতা পাঠ কৰে। কণমানি ছাত্ৰী পৰীশিখা শইকীয়াৰ কবিতা আবৃত্তি, শিখামণি কাকতি, জ্যোৎস্না ভূএগ দত্ত আৰু ৰুণু হাজৰিকাৰ গীত পৰিৱেশনে অনুষ্ঠানটিক সুকীয়া মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক শ্যামন্ত পায়েঙে।

# মাজুলী মহাবিদ্যালয়লৈ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাৰ দান



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মহাবিদ্যালয়ৰ ‘গ্ৰন্থদান মহান দান’ শীৰ্ষক পুথি সংগ্ৰহ কাৰ্যসূচীত ভাগ লৈ মহাবিদ্যালয়খনিৰ অৱসৰী অধ্যক্ষ, বিশ্ববীৰ চিলাৰায় সন্মানপ্ৰাপক শিক্ষাবিদ সৰ্বেশ্বৰ হাজৰিকাই নগদ ত্ৰিশ হাজাৰ টকা দান কৰে। মহাবিদ্যালয়খনত বিগত ২০১৬ চনৰ পৰা আৰম্ভ কৰা এনে ছাত্ৰহৈতেষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ লৈ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়ত ৭ এপ্ৰিলৰ পৰা ১০ এপ্ৰিললৈ অনুষ্ঠিতব্য মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাত গ্ৰন্থ ক্ৰয়ৰ বাবে নগদ ত্ৰিশ হাজাৰ টকাৰ চেক অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত অৰ্পণ কৰে। শিক্ষাবিদ সৰ্বেশ্বৰ হাজৰিকাৰ এনে মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ দিনৰ বাৰ বজাত অধ্যক্ষৰ কক্ষত আয়োজিত বিশেষ সভাখনিৰ আঁত ধৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সৰ্বেশ্বৰ হাজৰিকাক অংগবস্ত্ৰেৰে সম্বৰ্ধনা জনায়। নিজৰ পেঞ্চনৰ ধনৰ পৰা মহাবিদ্যালয়খনিলৈ আগবঢ়োৱা এই দান তেওঁৰ বদান্যতাৰ বাহিৰে আন একো নহয় বুলি মন্তব্য কৰাৰ লগতে অনাগত সময়তো মহাবিদ্যালয়খনিলৈ তেওঁ সহায়-সহযোগিতা কৰিব বুলি আশা কৰে। মাজুলী মহাবিদ্যালয় পৰিয়ালে হাজৰিকাৰ এই মহানুভৱতাৰ কথা কেতিয়াও নাপাহৰে বুলি মন্তব্য কৰি ড° দেৱজিৎ শইকীয়াই কয়, “দানে মানুহৰ হস্তৰ শোভা বৰ্ধন কৰে। সেই দান যদি গ্ৰন্থদান হয়, তেতিয়া হ’লেতো কথাই সুকীয়া হৈ পৰে।” সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্য, অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, বসন্ত বৰা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, দেৱজ্যোতি খাটনিয়াৰ, দীনেশ পেগু, ড° অনুপ কুমাৰ দলে, আচাৰ্য মোহন দাস, প্ৰীতিৰেখা গগৈ, জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা, দেৱজিৎ বৰুৱা, অতুল বৰা, প্ৰণৱ হাজৰিকা, যাদৱ পায়েং, জয়ন্ত হাজৰিকা প্ৰমুখ্যে লোকসকল উপস্থিত থাকে।







# বৰক্ষেত্ৰীৰ বৃহত্তৰ কালদি ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত মুকলি বিহু

**শংকৰ দাস, মুকালমুৱা ঃ** বিগত বছৰৰ দৰেই অহা ২৬ এপ্ৰিল (১২ বহাগ) তাৰিখে এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মুকলি বিহু সন্মিলনীৰ বাবে প্ৰস্তুতি তুংগত কৰি ৰাখিছে বৃহত্তৰ কালদি ৰঙালী বিহু উদ্‌যাপন সমিতি। সমিতিৰ সভাপতি দিগন্ত মেধি, সম্পাদক ৰূপম মজুমদাৰ আৰু প্ৰণৱ বৈশ্যই জানিব দিয়া মতে বিহুৰ পতাকা উত্তোলন, ছহীদ তৰ্পণ, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, গছ পুলি ৰোপণ, মুকলি কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা, পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা আৰু মুকলি বিহু প্ৰতিযোগিতা, অসমীয়া জলপান গ্ৰহণ, আশীষ আদান প্ৰদান অনুষ্ঠান আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী হাতত লৈছে। কেৱল সেয়াই নহয় উক্ত বিহু সন্মিলনীৰ বাকৰিতে বৰক্ষেত্ৰী অঞ্চলৰ বিশিষ্ট সাংবাদিক, বৃহত্তৰ কালদিৰ আদৰ্শ খেতিয়ক, লোকশিল্পী, জেষ্ঠ নাগৰিক, সুখ্যাতি লাভ কৰা খেলুৱৈ, কৃতি ছাত্ৰ-ছাত্ৰী তথা সমাজ সেৱাৰ লগত জৰিত থকা মহান ব্যক্তিসকলকো সম্বৰ্ধনা জনোৱা হ’ব। বিহু বাকৰি উদ্বোধন কৰিব গুৱাহাটী মহানগৰ উন্নয়ন প্ৰধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই, মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব অসম যুৱ আয়োগৰ উপাধ্যক্ষ অনুপ বৰ্মনে, অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰীতম গোস্বামীয়ে, চহা জীৱনৰে সমৃদ্ধ ব্যক্তি আৰু জেষ্ঠ ব্যক্তিক সম্বৰ্ধনা আৰু আশিস আদান প্ৰদান অনুষ্ঠান মুকলি কৰিব বিশিষ্ট লেখক, উদ্যোগী শ্যমকানু মহন্তই, অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ভাৰতীয় জনতা পাৰ্টীৰ নলবাৰী জিলাৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মনকে প্ৰমুখ্য কেইবাজনো বিশিষ্ট অতিথি। অতিথি শিল্পী হিচাপে উপস্থিত থাকিব জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ংকা বৈশ্য, বিশিষ্ট নাট্যকাৰ, কৌতুক অভিনেতা ভাস্কৰ বৰ্মন। অসমীয়া আধুনিক নৃত্য আৰু মুকলি বিহু প্ৰতিযোগিতাৰ বাবে ৯৮৬৪৭-২১৭৩৯, ৮৬৩৮০-৯৬১৮৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। কালদি ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত হ’বলগীয়া উক্ত অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীতে শুভকাংক্ষী তথা ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

# ৰঙিয়াত বিশ্ব শান্তিৰ বাবে আয়োজন কৰা শ্ৰীশ্ৰী বাসন্তী পূজাৰ সফল সামৰণি


**তৃষ্ণা দাস, ৰঙিয়া ঃ** ৰঙিয়াৰ চেপ্তিত প্ৰতিবছৰৰ দৰে এইবেলিও সৰ্বস্তৰৰ ৰাইজ একলগ হৈ আয়োজন কৰিছে শ্ৰীশ্ৰী বাসন্তী পূজাৰ। এইবেলি ৮৪ বছৰত ভৰি দিয়ে চেপ্তি বাৰোৱাৰী শ্ৰীশ্ৰী বাসন্তী পূজাভাগিয়ে। উক্ত পূজাত কেৱল ৰঙিয়াৰে নহয় ইয়াৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা ভক্তপ্ৰাণ ৰাইজ আহি সমবেত হৈ দেৱী মাৰ আশীষ লৈ শৰাই আগবঢ়ায়। বৃহত্তৰ চেপ্তি অঞ্চলৰ ডেকা-বয়োজ্যেষ্ঠ সকলো লগ হৈ এই পূজাৰ আয়োজন কৰি আহিছে। এইবেলিও তাৰ ব্যতিক্ৰম নহয়। পূজাস্থলীত ষষ্ঠী, সপ্তমী, অষ্টমী, নৱমী আৰু দশমী প্ৰতিদিনেই ভক্তৰ বাবে ভোগৰ ব্যৱস্থা, নাম-প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি বিভিন্ন কাৰ্যসূচী ৰখা হয়। নৱপ্ৰজন্মক আকৰ্ষিত কৰিবলৈ পূজা সমিতিয়ে সজাই তোলে অসমীয়াৰ স্বাভিমান জাপি, খালৈ আদিৰে চেলফি পইন্ট। ইফালে ৬ তাৰিখৰ নিশা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মাৰ সংগীতানুষ্ঠান সুকলমে পাৰ হয় এই পূজাস্থলীতে। সম্পূৰ্ণ আধ্যাত্মিকতা বজাই ৰখা এই পূজাভাগিৰ প্ৰতিটো দিনতেই ভক্তৰ সহায়-সহযোগিতা দেখা যায়।

# বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন

**নগাঁও ঃ** নগাঁও জিলাৰ আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক কাৰ্যালয়ৰ সহযোগত ইংৰাজী ৭-৪-২০২৫ তাৰিখে বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে নগাঁও জিলাৰ ন্যায়িক আদালত চৌহদত ৰক্তদান শিৱিৰ আৰু এখনি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰ অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। এই কাৰ্যসূচী শুভাৰম্ভণি কৰে নগাঁও জিলা ও সত্ৰৰ মুখ্য ন্যায়াধীশ সন্মানীয় শ্ৰীযুত বিশ্বজিৎ চক্ৰৱৰ্তী ডাঙৰীয়াই। ৫০ৰো অধিক সন্মানীয় ব্যক্তিয়ে এই বিশ্ব স্বাস্থ্য দিৱসত ৰক্তদান কৰা পৰিলক্ষিত হয়। ২০০ৰো অধিক ব্যক্তিয়ে নিজৰ স্বাস্থ্য পৰীক্ষা কৰে। ৰক্তচাপ আৰু মধুমেহ ৰোগৰ বিনামূলীয়াকৈ পৰীক্ষা কৰা দেখা পোৱা যায়। বিভিন্ন ৰোগত আক্ৰান্ত ব্যক্তিক অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা প্ৰদান কৰি বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা পৰিলক্ষিত হয়।

কথোপকথন

# শিল্পীৰ জীৱনত সংগ্ৰাম থাকিবই ঃ অভিনেত্ৰী পল্লৱী ফুকন



**শিল্পীৰ জীৱনত সংগ্ৰাম থাকিবই।** বাস্তৱ জীৱনটোৰ বাহ্যিক আৰু আভ্যন্তৰীণ জগতখনক কলাত্মকৰূপত ডাঙি ধৰি বিশ্লেষণ আৰু মূল্যায়নৰ অভিধাৰে নৱৰসৰ সঞ্চাৰ ঘটাই নাট্যশিল্পৰ মাধ্যমেৰে উপলব্ধি আৰু উপভোগ কৰাৰ প্ৰৱণতা অতি প্ৰাচীন। বিভিন্ন উপকৰণৰ লগতে সংলাপযুক্ত বা সংলাপবিহীনভাৱে কৰা অভিনয়শৈলীৰে দৰ্শকৰ হৃদয়- মন জয় কৰি প্ৰতিষ্ঠিত হোৱা বৰ সহজ কাম নহয়। প্ৰতিভাৰ উপৰিও কষ্ট, ত্যাগ, সহনশীল, মানৱীয় দৃষ্টি ভঙ্গীৰ অবিহনে অন্যান্য ক্ষেত্ৰখনৰ লগতে অভিনয় জগতখনতো সফলতা লাভ কৰিব নোৱাৰি। শিল্পীসকলৰ সৈতে অন্তৰংগভাৱে কথা পাতিলেহে ইয়াৰ উমান প্ৰকৃত ৰূপত পাব পাৰি। প্ৰচুৰ কল্পনাশক্তি, শাৰীৰিক প্ৰকাশ ক্ষমতা, আৱেগপ্ৰৱণতা, স্পষ্টতাৰে কথা কোৱাৰ লগতে কণ্ঠস্বৰৰ শব্দ সংলাপ প্ৰক্ষেপণ আৰু নাটকৰ বাখ্যা সম্বলিত ধাৰণা, ৰূপসজ্জা, সাজসজ্জা ইত্যাদি বিষয় সংলগ্ন হৈ থাকে এই কলাত। তদুপৰি সময়ানুবৰ্তিতা, নিয়মানুবৰ্ত্তিতাৰ লগতে সাম্প্ৰতিক পটভূমিৰ সচেতনতাৰ প্ৰয়োজন। দূৰদৰ্শনৰ ধাৰাবাহিক তথা এইবাৰ বৰদৈচিলা থিয়েটাৰৰ মোহময়ী অভিনেত্ৰী পল্লৱী ফুকনৰ সৈতে চমু কথোপকথনৰ কিয়দংশ আগবঢ়ালো।

আপোনাৰ সম্পূৰ্ণ ঠিকনা ঃ
পিতা ঃ মুকুল ফুকন
মাতৃ ঃ মিনাক্ষী ফুকন
গাঁও ঃ গধৰীয়া
জিলা ঃ নগাওঁ

প্ৰথম অভিনয় ঃ গাঁৱৰ মঞ্চত ‘কলংকিনী নাৰী’।

অভিনয় জগতৰ সৈতে সম্পৰ্ক ঃ ৪ বছৰ বয়সৰ পৰাই।

প্ৰিয় খাদ্য ঃ হাঁহৰ মাংস

প্ৰিয় কবি ঃ হীৰেন ভট্ট, উজ্বল পাওগাম

প্ৰিয় ছবি ঃ শ্বোলে

ভৱিষ্যতৰ পৰিকল্পনা ঃ বিশেষ নাই। অভিনয়ৰ লগতেই জড়িত হৈ থাকিব সদায়।

তিনিগৰাকী ছোৱালীৰ ভিতৰত ডাঙৰ পল্লৱীয়ে কিছুদিনৰ পিছত বিবাহপাশত আবদ্ধ হ'ব আৰু জনায় যে শিল্পীৰ জীৱনত সংগ্ৰাম থাকিবই। সমাজত নিৰ্যাতন - নিস্পেষণৰ বিৰুদ্ধে থিয় হোৱাটোৰেই প্ৰকৃত শিল্পীৰ দায়িত্ব। ব্যক্তিস্বাৰ্থক দিয়া অত্যাধিক প্ৰাধান্যতাই সামাজিক জীৱনত বিৰূপ প্ৰভাৱ পেলায়।

■ **বিতোপন গগৈ,** শিমলুগুৰি
**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬

# আমাৰ ব'হাগৰ বিহুটি

**অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**বি**হু আমাৰ অসমীয়াৰ জাতীয় উৎসৱ, হৃদয়ৰ আৱেগ জড়িত হৈ আছে। ব'হাগ এটি মাহ নহয় আমাৰ অসমীয়া জাতিটোৰ আয়ুস ৰেখা। অসমীয়া সকলৰ জীৱনৰ বছৰটোৰ প্ৰথম মাহ হিচাপে বিশেষ তাৎপৰ্য আছে। চ'ত মাহৰ অন্তিম দিনটোৰ পৰাই আৰু ব'হাগৰ প্ৰথম দিনাই আমাৰ ব'হাগ বিহুৰ আৰম্ভণি। গোটেই মাহজোৰা ব'হাগ বিহু চলি থাকে যদিও বৃহত্তৰ অসমীয়া জাতিৰ সকলো ধৰ্মৰ লোকে প্ৰধানকৈ সাত দিন বিহু পালন কৰে।

যেনে-১। গৰু বিহু ২। মানুহ বিহু ৩। গোঁসাই বিহু ৪। তাঁতৰ বিহু ৫। নাঙলৰ বিহু ৬। চেনেহী বিহু ৭। চেৰা বিহু। ঠাই বিশেষে নামবোৰ বেলেগ বেলেগ হ'ব পাৰে আৰু ৰীতি -নীতি অলপ বেলেগ বেলেগ হ'ব পাৰে। কোনো ঠাই চেনেহী বিহুক জীয়ৰী বিহু বুলিও কোৱা শুনিছোঁ। হিন্দু সকলে গৰুক লক্ষ্মী দেৱীৰ লগত তুলনা কৰে, সেই কাৰণে আমাৰ অসমীয়াই বিহুৰ প্ৰথম দিনটো গৰু বিহুৰ পৰাই আৰম্ভ কৰে। সেইদিনা লাউ-বেঙেনা কাটি গৰুক খুৱায়, দীঘলতি-মাখিয়তীৰ ঠাৰিৰে গৰুৰ পিঠিত লাহেকৈ কোব এটি দি গীত গোৱা শুনিছোঁ।

দীঘলতি দীঘল পাত, গৰুক কোবাও জাত জাত
মাৰ সৰু বাপেৰ সৰু তই হ'বি বৰ গৰু।
লাউ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা।।

এনেকৈ জান-জুৰি নৈ আদি লৈ নি গা-ধুৱাই-পখলাই



নতুন গৰুজনীক নতুন পঘা পিন্ধাই আৰু সন্ধিয়া গোহালি ঘৰত ধোঁৱা দিয়ে যাতে কীট-পতঙ্গৰ ইত্যাদিৰ পৰা গৰুজনী ৰক্ষা পৰে বছৰটোৰ কাৰণে। কিন্তু নামবোৰ বেলেগ হ'লেও আমাৰ এই বিহুটি কৃষিৰ লগত জড়িত।

সেই কাৰণে বসন্তৰ আগমণত প্ৰথম জাক বৰষুণ পৰাৰ পিছত আই বসুমতী ঋতুমতী হয়। গছ লতিকা কুঁহি পাত ওলাই, প্ৰকৃতি ফলে-ফুলে জাতিস্কাৰ হৈ পৰে।

প্ৰকৃতিৰ এটি সুন্দৰ ৰূপ বৰষুণৰ দ্বাৰা (প্ৰজনন) মিলন ঘটাই বসুমতী আই শস্যৰে নদন-বদন হোৱাৰ প্ৰক্ৰিয়া ৰঙালী বিহুৰ তাৎপৰ্য লুকাই আছে।

হয়তো সেই বাবেই পূৰ্বপুৰুষ সকলৰ দিনৰ পৰা মুকলি পথাৰত গছৰ তলত ডেকা-গাভৰু বিহু নাচে ৰং ধেমালি কৰে বা এতিয়াও মুকলি বিহু আছে যদিও বৰ্তমান মঞ্চত গতি কৰা দেখা পাওঁ।

এই ৰঙালী বিহুটি আন এটি বিশেষত্ব হ'ল সাজ পোচাক। মুগাৰ বা মুগাৰ ৰঙৰ সাজপাৰ আৰু গলপতা, ডুগডুগী, গামখাৰু ইত্যাদি বিভিন্ন অসমীয়া গহণা পৰিধান কৰে নাচনীসকলে আৰু ঢুলীয়া, পেঁপা বজোৱা ডেকাসকলে ধুতি, মুগাৰ ৰঙৰ চোলা পৰিধান কৰে আৰু মূৰত গামোচাৰে পাগুৰি আৰু কঁকালত গামোচা টঙালি বান্ধে। এটা জাতিৰ ঐতিহ্য বহণ কৰে আমাৰ এই সাচ-পোচাকে। জাতীয় সাজ পোচাক যোৰেও আমাক বিশ্ব দৰবাৰত পৰিচয় কৰাত সহায় কৰিছে। গামোচাখন এইক্ষেত্ৰত বিশেষ স্থান আছে।

আমাৰ অসমীয়াসকলৰ গামোচাখন মান-সন্মান স্বাভিমানৰ প্ৰতীক। বিহুত সন্মান জনোৱা আশীৰ্বাদ লোৱা আনকি বিয়া পূজা পাৰ্বন সকলোতে ব্যৱহাৰ হয়। অতিথি আহিলেও গামোচাখনেৰে আদৰণি জনাওঁ। মৰমৰ বিহুটিৰ বিষয়ে লিখি থাকিলে শেষ নহ'ব।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১






# মাজুলীত ‘সাতসৰী’ৰ উদ্যোগত মহিলাক স্বাৱলম্বী কৰাৰ লগতে লোক সংস্কৃতি প্ৰসাৰৰ প্ৰচেষ্টা

**বিকাশ শইকীয়া, মাজুলী ঃ** মহিলাৰ কল্যাণমূলক, সমাজ-সংস্কৃতিৰ ৰাজ্যিক অনুষ্ঠান ‘সাতসৰী’ ৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা মাজুলী জিলাৰ নামনি মাজুলীৰ গোৱালগাঁও শাস্ত্ৰী আদৰ্শ পুথিভঁৰালত অনুষ্ঠিত হয়। দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত সাতসৰী সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱাই অংশগ্ৰহণ কৰে। নামনি মাজুলীৰ বিশিষ্ট মহিলা সংগঠক শিখা ভূএগ মূদৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে ড° মন্দিৰা বৰুৱাই । নিজৰ ভাষণত ড° মন্দিৰা বৰুৱাই মহিলাসকল কি দৰে স্বাৱলম্বী হ'ব পাৰে আৰু ভৱিষ্যত প্ৰজন্মক শিক্ষা আৰু সাংস্কৃতিক দিশত কেনেকৈ আগবঢ়াই নিব পাৰি সেই বিষয়ে বক্তব্য ৰাখে। তেওঁ অসমৰ আপুৰুগীয়া সম্পদ বিয়ানাম দিহা নামৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দি ৰাজ্যৰ ভিতৰত সাতসৰীয়ে বহুতো পদক্ষেপ গ্ৰহণ কৰি আছে বুলি উল্লেখ কৰে। ২০০২ চনত প্ৰতিষ্ঠিত সাতসৰীয়ে বৰ্তমান ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত মহিলা উদ্যমিতা বৃদ্ধি কৰি পাছপৰা মহিলা সকলক স্বাৱলম্বী কৰাৰ বিভিন্ন পদক্ষেপ সভাত উল্লেখ কৰে। আৰ্থিকভাৱে দুৰ্বল মহিলাৰ কল্যাণমূলক আঁচনি সন্দৰ্ভতো তেওঁ ব্যাখ্যা আগবঢ়ায়। সাতসৰীৰ উক্ত সাংগঠনিক সভাতেই ‘মাজুলী সাতসৰী আশাপূৰ্ণা সমিতি’ নামেৰে গোৱালগাঁও সমিতিখন গঠন কৰা হয়। উক্ত সমিতিত সভানেত্ৰী হিচাপে- গায়ত্ৰী বৰা হাজৰিকা, উপ সভানেত্ৰী - পুষ্প মুদৈ, সম্পাদিকা - শিখা ভূএগ মূদৈ, সহ সম্পাদিকা -বৰ্ণালী বৰা হাজৰিকা, অঞ্জু বৰা, ৰূপৰেখা বৰুৱা, সংঘামিত্ৰা চাংমাই হাজৰিকা, কোষাধ্যক্ষা - পম্পী বৰা, সাংস্কৃতিক সম্পাদিকা - জুৰি মুদৈ আৰু সদস্যা হিচাপে - মিনাক্ষী বৰুৱা, অনিমা হাজৰিকা, ৰিজু বৰা, নমিতা হাজৰিকা বৰা, মৰমী বৰা, ৰিংকুমনি হাজৰিকা আৰু জিনা হাজৰিকাক মনোনীত কৰা হয়। ৰাজ্যিক সাতসৰীৰ উদ্যোগত গঠন কৰা উক্ত ‘মাজুলী সাতসৰী আশাপূৰ্ণা সমিতি’য়ে এতিয়াৰ পৰা সক্ৰিয়ভাৱে মহিলাৰ স্বাৱলম্বীৰ পথ, বিভিন্ন কল্যাণমূলক কাম আৰু সমাজ-সংস্কৃতিৰ কামসমূহো মাজুলীত কৰি তুলিব বুলি সম্পাদিকা শিখা ভূএগ মূদৈয়ে জানিবলৈ দিছে।



# কপৌফুল

**প্ৰান্তিক শৰ্মা**
জাজৰি

তোমাৰ সুবাসত
বসন্ত আহে
নাচনীৰ নেঘেৰী খোপাত
তোমাৰ স্বকীয়তা
জিলিকি উঠে।
চ'তৰ শেষত বৰদৈচিলা
অহাৰ দৰে
তুমিও ফুলি উঠা
ফাগুন যোৱাৰ পৰত
কুলি কেতেকীৰ সুললিত
কণ্ঠ শুনাৰ ক্ষণত।
তোমাক বাদ দি
বহাগী আধৰুৱা।
হেঁপাহৰ ৰঙালী ঢোল-পেঁপা
গগনাৰ মাত তুমি অবিহনে
স্থবিৰ হৈ পৰে
তোমাৰ সৌন্দৰ্যত প্ৰকৃতিৰ
কোলালৈ বসন্তৰ আগমনী ঘটে।
ন-ন কুঁহিপাত মেলাৰ সময়ত
এটোপি-দুটোপি বৰষুণৰ কণিকাৰ
ফাকেৰে চোৱা তোমাৰ ৰূপে
ধৰাখনি মনোমোহা কৰি তোলে।
তুমি যেন সৌন্দৰ্যৰ আঁকৰ।
তোমাক বাদ দি নাচনীৰ
বিহুৱতী সাজযোৰো আধৰুৱা
সেয়েহে হয়তো আজিও কোৱা
মনত পৰে.......
পাহাৰ বগাই বগাই
কপৌফুল অনাৰ কথা।

**ম'বাইল ঃ ৯৫৭৭৪-৭৭৯৭৯**

# জলজ

**নয়ন মণি মিশ্ৰ**

জলজ চকুযোৰ
অজুহাত মাথোঁ
বৰষুণ সিক্ত হোৱাৰ...
নিৰ্ধাৰিত সংলাপ
তথাপিতো
বাৰম্বাৰ ভুল সংশোধনৰ বাবে
অনুৰোধ।
জীৱনৰ আলোচনীত
জিলিকি উঠাৰ দৌৰত
বহুযুগৰে পৰা যেন
নিজকে দেখা নাই-
সহজ ঠিক সেই ল'ৰালিৰ দৰে,
এৰি অহা আবেলিয়ে
মোৰ কথা কয় নে বাৰু
উন্মাদ বতাহৰ লগত?

**ম'বাইল ঃ ৮৪০৩৮-৪২৬১৭**



# আকাশ

**দ্বিজেন্দ্ৰ নাথ হাজৰিকা**

মুক্ত আকাশ মুক্ত বতাহ মুক্ত বিহঙ্গ
সংকোচ কিহৰ উৰিবলৈ নীৰলে নিৰ্বিঘ্নে
পাৰাবাৰহীন পৰিভ্ৰমী প্ৰশান্ত পৰিধিৰে
কাৰপৰা অনুমতি লাগে প্ৰাকৃতিক উৰণৰ
উৰি থাকা অবিৰাম ডেউকাৰ দুৰন্ত গতিৰে
লক্ষ্য উদেশ্যকে সৰোগত কৰি পৰোপকাৰেৰে
গতিৰ পথত যতিৰে গছৰ ডালত প্ৰীতিৰ আৱেগ
মুক্ত বিহঙ্গৰ দল সৃষ্টিৰ সুৱাগমনি আশাৰ সম্ভাৰেৰে
এখন বৈষম্যহীন শুকুলা সমাজ সুষম সৰলতাৰে
গঢ়ি যোৱা ৰাখি নিদৰ্শণ সুশৃঙ্খল সহজাত প্ৰবৃতিৰ
সাক্ষী হওঁক শিক্ষা লওঁক নিঃকিন মানৱ সমাজে
স্বাৰ্থপৰতাৰ বেহু বন্ধনত আত্মশ্লাঘাৰে পৰিত্যাগি
অশোভনীয় বিশেষণীয় বিশেষণ 'জীৱশ্ৰেষ্ঠ' ভাগি।

# উৰুঙা মন

**জুৰিমণি মুদৈ**, নগাঁও

সৰাপাতে পাতে, ধূলিয়ৰি বাটেৰে
উন্মনা ফাগুন আহে আশাৰ ৰং ছটিয়াই
হৃদয়ত জগাই তোলে এক অনামি শিহৰণ
বাঢ়ে প্ৰেমৰ প্লাৱন।

ফাগুন আহে ৰঙেৰে সাজি-কাচি
লঠঙা ডালত কেতেকীৰ হিয়া-ভঙা বিননি
চঞ্চলা পছোৱাৰ বলীয়া বাই
উৰুৱাই নিলে মোৰ হৃদয়ৰ উৰুখা পঁজা
মন আজি উৰুঙা,উদাস মোৰ হিয়া।

ফাগুনৰ আকাশত পলাশ, মদাৰ, শিমলুৰ জুইফুল
ফুলে
যৌৱনৰ হেনো চিলা উৰে
হৃদয়ত প্ৰেমৰ জোৱাৰ আনে
তুমিহীনতাত হৃদয়খন উৰুঙা হৈ পৰে
আশাৰ পাপৰিও মৰহি যাব ধৰে।

ফাগুনৰ আবিৰত হ'ব পৰা নাই ৰাঙলী
সৰাপাতৰ দৰেই হৃদয়ত বিষাদৰ অগণি
উদাস হিয়াত কেৱল বেদনাৰ খলকনি
উৰুঙা মনক কেনেকৈ দিওঁ সান্ত্বনা বাণী?

উৰুঙা মনে প্ৰতি পলে থাকে তোমাৰেই প্ৰতীক্ষাত
আশাৰ পদূলিত মেলিব নিশ্চয় এদিন বসন্তৰ ন-
কুঁহিপাত।

# প্ৰেমৰ প্ৰতিভা

**বিনিময় দাস**

প্ৰেম-
দুই আখৰৰ আৱেগিক পৰশ,
জীৱনৰ সুখ-দুখৰ সাঁচি থোৱা ৰস।
সন্ধান কৰিলে নাহে,
আহে অজানিতে,
আহিলে মন অকলেই হাঁহে,
চিন্তা নকৰে হিতে-অহিতে।
প্ৰেম-
কেতিয়াবা সৃষ্টি কৰে
হৃদয়ত ফুলৰ বাগিচা,
পখিলাই উৰি ফুৰে আনন্দত,
কেতিয়াবা প্ৰেমে
মনক আবদ্ধ কৰি ৰাখে
হয়-নহয়ৰ দ্বন্দ্বত।
কেতিয়াবা প্ৰেমে
অপেক্ষাৰ দিনলিপি লিখি যায় বুকুৰ ভিতৰত
প্ৰতিদিনে,
কেতিয়াবা প্ৰেমে পোৱা-নোপোৱাৰ মাজত কৰে
অৱস্থান-
আৰু দুগালৰ বাটেদি বানপানী আনে।

**ম'বাইল ঃ ৯৪৩৫৫-৩৭৫৯১**

# সময়- নিৰ্বাক ব্ৰহ্মস্ৰোত

**নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি

সময়,
এক অলঙ্ঘ্য, অপাৰ,
অথচ নিৰ্বাক ব্ৰহ্মস্ৰোত,
যি বৈ নাযায় কেৱল,
বৰঞ্চ গিলি লয় সাঁচা মৰম,
আৰু স্বপ্নৰ অপাৰ সম্ভাৰ।

এই অদৃশ্য সোঁতত
আত্মাই নিজক বিসৰ্জন দিয়ে,
আৰু তাৰ ৰঙচুৱা গধূলিবোৰত
কেৱল বেদনাৰ নিৰ্বাক
ছাঁবোৰেই টিকি থাকে
আত্মবিশ্লেষণৰ অন্ধ উপত্যকাত
নীৰৱতাৰে উটি ভাঁহি ফুৰে।

**ম'বাইল ঃ ৭০৯৯৩-৮৯৭৫৫**

# সুখৰ দোকান

**হেৰম্ব নাথ**

সুখৰ দোকান আছে
মহানগৰত
কিনি আনিম
কিন্তু মোনাখন ডাঙৰ হ'ব লাগিব
কাৰণ মোৰ সুখৰ প্ৰয়োজন বহুত
অথচ সুখ বিক্ৰেতাজনেই দুখত ভাগি পৰিছে
গতিকে সুখ পাম ক'ত
যদি সাগৰসম সুখ লাগে
কলহটোও তথৈবচ
কিন্তু অসন্তৰ
সুখ বিচাৰি মহানগৰৰ ফ্লেটলৈ যাওঁ
তাতেওঁচোন দুখ
লিফ্‌টত উঠোঁ
সময়তকৈ বহু আগতেই পাওঁ
ফ্লেটৰ কোঠাবোৰ
আকাশখন যেনিবা লগেই পাওঁ
তাতেওঁ দেখোন সুখ নাপায়
আইনাখনত ঠিয় হওঁ
বাৰে বাৰে হাঁহিবলৈ চেষ্টা কৰোঁ
কিন্তু ওঁঠত বিৰিঙি নুঠে
হাঁহিবোৰ
অথচ ফেচিয়েল কৰিছোঁ

খঙতে ওলাই আহিলোঁ ফ্লেটৰ পৰা
চিধাই মা-দেউতাৰ কাষত বহিলোঁ
হঠাতে দেখিলোঁ
মা আৰু দেউতাৰ অশীতপৰ ওঁঠত
কি অনাবিল-অকৃত্ৰিম হাঁহি
আজি মই পলকতে সৰগখন বিচাৰি পালোঁ
এখন সুখৰ সৰগ
কিন্তু সুখ নিবিচাৰাকৈয়ে
আচলতে এয়াই সুখৰ অনিন্দ্য সুন্দৰ ঠিকনা।

**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**



# জনতাৰ আৰ্তনাদ

**মুকতাৰ আলী**
যোৰহাট

ঘৰে ঘৰে জ্বলিছে জুই
জ্বলিছে স্বাভিমান জনতাৰ
হিংসা, স্বাৰ্থ, ৰাজনীতি
আৰু কত কি।
বিশুদ্ধ ইন্ধন তাৰ।

দাহিত জনতাৰ আৰ্তনাদৰ
অগ্নিশিখা কিমান দপদপীয়া হ'লে
উচ্চ তৰংগৰ চিঞৰ
ৰজাৰ কাণত পৰিব?
কিমান জনতাৰ পুৰিলে
ৰজাৰ মন ভৰিব?

জনতাৰ আৰ্তনাদ
যেন মধুময় নিনাদিত
নিচুকনি গীত,
ৰজাই কাণ পাতি শুনি
নিদ্ৰামগ্ন হয়..।

জনতাৰ আৰ্তনাদ
নিৰুপায়ৰ ভিজা বাহঁত
মুখ লুকায়.. নীৰৱ হৈ যায়।

# তৰাই ভৰা এটি আকাশ

**আয়শা ছিদ্দিকা (আছৰি)**

বাংলিপাৰা, বৰপেটা
ঘোৰ অন্ধকাৰত মই সপোন দেখো
উজ্বল জোনাকৰ সৈতে উমলি থকা
তৰাই ভৰা এটি সুন্দৰ আকাশ...
য'ত ক'লা ডাৱৰৰ চিনচাব নাথাকি
বৰষুণৰ টোপালখিনি জমা নহৈ
ফটফটিয়া ফৰকাল এটি আকাশ হ'ব..
ফাগুনৰ পছোৱা চ'তৰ উত্ৰাৱল ৰূপ
ধূলি মাকতি হীন মনোমুগ্ধকৰ ধৰিত্ৰীয়ে
তৰাই ভৰা আকাশক সম্ভাষণ জনাব..
পশ্চিম আকাশৰ সেই ধ্ৰুৱ তৰাটোৱে
আনন্দত উজ্বলিত ৰূপে জিলিকি ৰৈ
তৰাৰ তাৰ সৈতে মনৰ কথা পাতিব....
কপৌ ফুলৰ সৌন্দৰ্য আৰু কুলিৰ মাত
তাত বহাগৰ কৃষ্ণচূড়াৰ ৰক্তিম আবাস
চৌদিশ ছটিয়াই প্ৰেমৰ আলাপ কৰিম...

**ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮**




## হেৰাইছে

মোৰ 2015 চনৰ SEBA, HSLC admit card খন হেৰাইছে। নাম ঃ জেৰিফা ৱাহিদ। পিতা ঃ আব্দুল মজিদ। ৰোল নং - ১৬৬৮০৬০৫। স্কুলৰ নাম ঃ ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়। জিলা ঃ নগাঁও

প্ৰথম পৃষ্ঠাৰ পৰা

# বাথৌ ধৰ্ম পৃথিৱীৰ অতি প্ৰাচীন ধৰ্মবোৰৰ ভিতৰত অন্যতম

আহিছে বুলি মন্তব্য কৰি কয় যে কেইবা হাজাৰ বছৰ পূৰ্বে বড়োসকলে এই ভূমিত স্থায়ীভাৱে বসবাস কৰি সাংস্কৃতিক জীৱনধাৰাই নহয়, আধ্যাত্মিক জীৱনধাৰাকো উজ্জীৱিত কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে পাঁচ হাজাৰ বছৰীয়া ভাৰতীয় আধ্যাত্মিক জীৱনবোধে সকলোকে ভগৱানৰ অস্তিত্বক মানি লৈ মূল্যবোধৰ আধাৰত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। ভাৰতীয় সনাতন স্বৰূপত ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰক ভগৱান জ্ঞান কৰি যুগে যুগে পূজা কৰি অহা হৈছে। বথৌ ধৰ্মৰ দৰ্শনে এই তিনিওটা ৰূপকে প্ৰদৰ্শন কৰে। বথৌ পৰমব্ৰহ্মা বৌৰাই বাথৌ বুলি উল্লেখ কৰি তেওঁ কয় যে মাটি, বায়ু, পানী, আকাশ আৰু অগ্নি, এই পঞ্চবোধৰ মাজত যিগৰাকী প্ৰভুৰ শক্তি নিহিত হৈ আছে সেইগৰাকীয়ে হৈছে পৰম ব্ৰহ্ম। মুখ্যমন্ত্ৰীয়ে কয় যে বড়োসকলে আদি নিৰঞ্জন বৌৰাই বাথৌ পূজা-অৰ্চনা কৰাৰ সময়ত ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ কৰি মাটি, বায়ু, পানী, আকাশ আৰু অগ্নিৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে মানুহে আধ্যাত্মিক চেতনাৰে কিদৰে আত্মসংযম আহৰণ কৰি মূল্যবোধৰ আধাৰত আগুৱাই যাব লাগে সেই কথা বাথৌ ধৰ্মৰ দৰ্শনে দেখুৱাই আহিছে। বড়োসকলৰ মাজত যি ধৰ্মীয় জীৱনধাৰা বাথৌ ধৰ্মৰ মাজেৰে প্ৰকাশিত হৈছে তাৰ জৰিয়তে জীৱশ্ৰেষ্ঠ মানুহে পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ মাধ্যমেৰে কিদৰে আগুৱাই যাব লাগে সেই কথাও উপলব্ধি কৰিব পাৰে। তেওঁ কয় যে খেৰাই মানে ভগৱানৰ মাহাত্মৰ গুণানুকীৰ্তন কৰি কৰা নৃত্য। ভক্তিমূলক এই গীতে বাথৌ ধৰ্মৰ মহত্বক অধিক প্ৰসাৰিত কৰিছে। প্ৰকৃতিক আলম কৰিয়েই বাথৌ ধৰ্মই এক বিশেষ ৰূপ লাভ কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে গছৰ তলত বৌৰাই বাথৌক পৰমব্ৰহ্ম জ্ঞান কৰি কৰা পূজাৰ জৰিয়তে অনন্ত কালৰে পৰা বড়ো জাতিৰ প্ৰকৃতি প্ৰেমৰ সুন্দৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। তেওঁ লগতে কয় যে বাথৌৰ বেদীত সিজৌ গছক প্ৰতিষ্ঠা কৰাৰ মূল কাৰণ হ'ল সিজৌ বা সিজু গছ বাথৌ ধৰ্মৰ দৃষ্টিত ঈশ্বৰৰ প্ৰতীক। ইয়াত ঈশ্বৰ দৰ্শনৰ সমল পোৱা যায়। মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো বাথৌ ধৰ্মাৱলম্বীসকলে বৌৰাই বাথৌক পৰমব্ৰহ্ম ৰূপত পূজা-অৰ্চনা কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো জনজাতিকে ধৰি ৰাজ্যৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত ৰীতি-নীতি, ধৰ্মীয় আচাৰ-আচৰণে কেৱল ৰাজ্যখনৰ সংস্কৃতি সম্ভাৰ চহকী কৰাই নহয়, ভাৰতবৰ্ষৰো জাতি-জনগোষ্ঠীয় মানচিত্ৰখন সমৃদ্ধ কৰিছে। তদুপৰি এক চহকী জৈৱ-বৈচিত্ৰ্যৰ অংগ হিচাপে অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ সমূহীয়া আচাৰ আৰু শৈলীসমূহৰ নিজস্ব কিছু বিশিষ্টতা আছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই বৈশিষ্ট্যসমূহক স্বীকৃতি প্ৰদান কৰাৰ লগতে তাৰ সংৰক্ষণ, সুৰক্ষা আৰু প্ৰসাৰৰ দিশত মনোনিৱেশ কৰাতো সময়ৰ আহ্বান হৈ পৰিছে। এই বিষয়ত গভীৰ উপলব্ধিৰে ৰাজ্য চৰকাৰে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ পুষ্টি, উত্থান, সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে সম্পূৰ্ণৰূপে উৎসৰ্গিত এক প্ৰশাসনিক বিভাগ হিচাপে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ নামৰ বিভাগ গঠন কৰিছে। ইতিমধ্যে এই বিভাগৰ জৰিয়তে খিলঞ্জীয়া ধৰ্মীয় আৰু আধ্যাত্মিক অনুষ্ঠানসমূহৰ সংৰক্ষণৰ দিশত একাধিক পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ঠেলামাৰাত ৫০০ খন বাথৌ থানশালিত আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে প্ৰদান কৰা প্ৰতিশ্ৰুতি অনুসৰি যোৱা দুটা বছৰত ২০০ খন বাথৌ থানশালিক বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। এই বছৰত আৰু ১০০ খন বাথৌ থানশালিক বিত্তীয় সহায় আগবঢ়োৱা হ'ব। তেওঁ বাথৌ থানশালি আৰু হেৰিটেজ চেণ্টাৰ নামেৰে গোৰেশ্বৰ, চিৰাং আৰু ঘোঁৰামৰা বা তেজপুৰত তিনিখন বৃহৎ বাথৌ থানশালি সুন্দৰকৈ গঢ়ি তুলিবৰ বাবে ৫ কোটি টকাকৈ মুঠ ১৫ কোটি টকা আগবঢ়োৱা হ'ব বুলিও ঘোষণা কৰে। তেওঁ কয় যে নতুন দিল্লীত নতুনকৈ নিৰ্মাণ হ'বলগীয়া অসম ভৱনৰ চৌহদত নামঘৰ নিৰ্মাণৰ উপৰিও সিজু গছ ৰোপন কৰি বাথৌ মহাসভাৰ সহযোগত বাথৌ ধৰ্মৰ গৌৰৱগাঁথা দাঙি ধৰাৰ প্ৰয়াস চলোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে সকলোৱে ধৰ্মীয় আৰু আধ্যাত্মিক ৰীতি-নীতি, বিশ্বাস, সংস্কৃতি আদিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ সম্পৰ্কে গুৰুত্ব সহকাৰে চিন্তা কৰা উচিত। আমাৰ ধৰ্মীয় বিশ্বাস, পৰম্পৰা, আচাৰ-অনুষ্ঠান, গীত আৰু নৃত্য আদি কেৱল আমাৰ জাতীয় বা জনগোষ্ঠীয় পৰিচয়ৰে প্ৰতীক নহয়, এইবোৰ হৈছে আমাৰ স্বকীয় অস্তিত্বৰ মূল আধাৰ। তেওঁ লগতে কয় যে যুগে যুগে এই পৰম্পৰা আমাৰ মাজত প্ৰৱাহিত হৈ আহিছে আৰু এই ৰীতি-নীতি, ধৰ্মীয়-আধ্যাত্মিক বিশ্বাস, পৰম্পৰাসমূহে আমাক আমাৰ পূৰ্বপুৰুষৰ সৈতে, প্ৰকৃতিৰ সৈতে আৰু সেই অমৃত জ্ঞানৰ সৈতে সংযোজিত কৰি আহিছে। যিসমূহে অযুত শতাব্দী গৰিক বিশ্ব মানৱৰ বুকুত আমাক সগৌৰৱে জীয়াই থাকিবলৈ প্ৰেৰণা যোগাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি আধুনিকীকৰণ, প্ৰব্ৰজন আৰু বহুতো বাহ্যিক কাৰকৰ ফলত আমৰ যুৱপ্ৰজন্মৰ বহু প্ৰতিনিধি নিজৰ জাতীয় আৰু জনগোষ্ঠীয় শিপা তথা সংস্কৃতিৰ পৰা বিচ্ছিন্ন হ'বলৈ ধৰিছে। এয়া এক জটিল প্ৰত্যাহ্বান বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে সকলোৱে একত্ৰিতভাৱে এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজিব লাগিব আৰু ইয়াৰ সমাধান-সূত্ৰ উলিয়াব লাগিব। ভৱিষ্যতৰ প্ৰতিনিধি হিচাপে যুৱপ্ৰজন্মৰ এই ক্ষেত্ৰত যথেষ্ট দায়িত্ব আছে বুলি মন্তব্য কৰি তেওঁ কয় যে বড়ো জনজাতিৰ নতুন প্ৰজন্মই নিজৰ ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতি ৰক্ষা তথা বিকাশৰ প্ৰচেষ্টাত ব্ৰতী হ'ব লাগিব। তেওঁ বাথৌ ধৰ্ম পৃথিৱীৰ অতি প্ৰাচীন ধৰ্মবোৰৰ ভিতৰত অন্যতম বুলি উল্লেখ কৰি বড়োসকলৰ বাবে বাথৌ ধৰ্মতকৈ আন শ্ৰেষ্ঠ ধৰ্ম নাই বুলি নিজৰ অভিমত ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ চহকী সংস্কৃতি আৰু প্ৰাচীন পৰম্পৰাৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তেহে বিশ্ব মঞ্চত বড়ো জাতিৰ অনন্য পৰিচয় চিৰকাললৈ জিলিকি থাকিব। তেওঁ বড়ো যুৱক-যুৱতীসকলক নিজৰ ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতিৰ প্ৰতি অধিক সচেতন আৰু দায়বদ্ধ হ'বলৈ আহ্বান জনায়। এই অনুষ্ঠানত সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিধায়ক জলেন দৈমাৰী, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োকে ধৰি বিটিচিৰ কাৰ্যবাহী সদস্য, পাৰিষদীয় সদস্য আৰু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।




# সন্তানক মানুহ হ'বলৈ শিকাওঁক

■ **ফুকন কৈৱৰ্ত,** ৰামপুৰ

পিতৃ-মাতৃসকলৰ দৃষ্টিত সন্তানসকলেই মূল সম্পদ। সন্তানসকলে পঢ়া-শুনা শেষ কৰি গুণী-জ্ঞানী হৈ সুপ্ৰতিষ্ঠিত হোৱাৰ লগতে সমাজত যাতে ভাল মানুহ হৈ জীয়াই থাকিব পাৰে অভিভাৱকসকলে তাকেই আশা কৰে। আজিৰ শিশু যিহেতু কাইলৈ ভৱিষ্যত দেশৰ নাগৰিক সেই গতিকে অভিভাৱকসকলৰ সমান্তৰালভাৱে সমাজৰ প্ৰতিজন ব্যক্তিয়ে আশানুৰূপভাৱে নৱপ্ৰজন্মৰ মঙ্গল কামনা কৰে। সেই উদ্দেশ্যেৰেই চলি গৈ থাকে জীৱনৰ গতিবিধি। এইখিনিতে লক্ষ্য কৰা যায় যে স্কুলীয়া শিক্ষা সমাপ্ত কৰাৰ লগে লগে অভিভাৱকসকলে তেওঁলোকৰ সন্তানসকলক লৈ প্ৰতিযোগিতাৰ পৃথিৱীখনত নামি পৰে। সন্তানৰ সামৰ্থ্যতা বা সম্ভাৱনীয়তাক আওকাণ কৰি তেওঁলোকক বলপূৰ্বকভাৱে অভিভাৱকসকলে বিচৰাধৰণে প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰে। অভিভাৱকসকলৰ সপোনৰ বাটেদিহে যাতে সন্তানসকলে বাট বুলিব পাৰে তাৰ দিহা কৰে। সন্তানসকলক লৈ পিতৃ-মাতৃয়ে সপোন দেখাটো বেয়া কথা নহয়। কিন্তু কেনা লাগে তেতিয়া যেতিয়া সন্তানৰ ৰুচিৰ প্ৰতি ভ্ৰুক্ষেপ নকৰি জোৰ জুলুমভাৱে সন্তানে নিবিচৰা শাখাত নামভৰ্তি কৰাই দি অভিভাৱকৰ দায়িত্ব পালন কৰে, তেতিয়া হিতে বিপৰীত হোৱাৰ বহু নজিৰ নিশ্চয় সমাজে প্ৰত্যক্ষ নকৰা নহয়। তেনে পৰিস্থিতিত সন্তানসকলে নিজৰ সামৰ্থ্যতাৰ বাহিৰত থিতাপি ল'বলৈ অসুবিধা পাই আৰু ফলাফল বেয়াৰ পিনে ঢাল খায়। সেই হেতুকে তেওঁলোকৰ জীৱনলৈ হতাশা আহে আৰু জীৱনৰ উৰ্ধগামী সপোন স্তিমিত হৈ পৰে। সন্তানৰ সুখেই যিহেতু পিতৃ-মাতৃৰ সুখ বুলি গণ্য কৰা হয়। তেনে পৰিপ্ৰেক্ষিতত সন্তানৰ ৰুচি-অভিৰুচি, আশা-আকাংক্ষা আদিৰ প্ৰতি মনোনিৱেশ কৰি অভিভাৱকসকলে তেওঁলোকৰ সন্তানসকলৰ পৰামৰ্শদাতা আৰু নিৰ্দেশক হিচাপে কাম কৰিব লাগে। তদুপৰি ইয়াৰ সমান্তৰালভাৱে সন্তানসকলক নিজগুণে ব্যক্তিত্বশালী হ'বলৈ মানৱীয় প্ৰমূল্যসমূহেৰে সমৃদ্ধ হ'বলৈ উৎসাহিত কৰিব লাগে। সন্তানসকলে জীৱিকাৰ মাধ্যম হিচাপে যি পথকেই বাচি নলওঁক কিয়, তেওঁলোকে যাতে সততা, কৰ্তব্যনিষ্ঠা আৰু সকলো কামৰ প্ৰতি শ্ৰদ্ধাৱান হৈ আগবাঢ়ি যাব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখি মানুহ হোৱাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ কৰাবলৈহে অভিভাৱক সকল সংকল্পবদ্ধ হ'ব লাগে।

**ম'বাইল ঃ** ৯৬১৩৪-৯১৪৮৯




# অহেতুক

**শৈলেন কুমাৰ,** মিৰ্জা

তুমি এই ক্ষেত্ৰখনত
যিহেতুকে নতুন গতিকে নিজকে
বহুজ্ঞানী বুলি জহাই নুফুৰিবা
বুজিছা নহয়, এৰা, জীৱনৰ শেষ
মুহূৰ্তলৈ মই এজন শিষ্যই হৈ
থাকিব বিচাৰোঁ কাৰণ জন্ম মোৰ
স্বইচ্ছাৰে হোৱা নাই আৰু মৃত্যুও
মোৰ স্বইচ্ছাৰে নহয় গতিকে এই
জগতৰ নিয়ম অনুযায়ী
কোনোবাৰ স্বইচ্ছাত কোনো কৰ্মই
সংঘটিত নহয় ।

**ম'বাইল ঃ** ৭০০২৮-১৬১৪৬



## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে

**ATHENIAN**
PROFESSIONAL

**Bihu Special Offer**

OUR SERVICES
- Smoothing = 3422* (any length)
- Straightening = 2950* ( any length)
- Keratin / Botox = 4500* ( as per length)
- Hair colour = 2950* ( according to length)
- Laser treatment starts from = 999*

Diploma in Hair course/ makeup course just at 29,999*

Nail couse starts from 6999*

DISCOUNT
Facial upto 40% off

ATHENIAN SALOON NAGAON
Srimanta Sankardev Road, Haibargaon, Nagaon (Assam) 782002

Book now
**9387969382**


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


**PANCHARATNA FINANCE & INVESTMENT LTD.**

Regd. No : 02-02373

Regd. Office :
A.T. Road, Guwahati-1
Phone- 2518622

Corporate Office :
A.D.P. Road
Nagaon- 782001 (Assam)
Phone- 255754

Email : pancharatna85@gmail.com

সন্মান সহকাৰে আপোনাক জনাও যে নগাঁও আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত "অসম প্ৰৱাহ" কাকত থনলৈ "পঞ্চৰত্ন ফিনাঞ্চ এণ্ড ইনভেষ্টমেন্ট লিমিটেড" ৰ ফালৰ পৰা অসমীয়া নবৱৰ্ষ আৰু ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

পঞ্চৰত্ন এটি ৰিচিউডেৰি নন বেংকিং প্ৰতিষ্ঠান "পঞ্চৰত্নৰ" মাধ্যমেৰে সঞ্চয় কৰক আপোনাৰ ভৱিষ্যত গঢ়ি তোলক।

Managing Director
For Pancharatna Finance & Investment Ltd.

**B A Animal Feed Centre**

ইয়াত ব্ৰইলাৰ ফ্ৰামৰ সকলো সামগ্ৰী পোৱা যায়।

যোগাযোগ নম্বৰ
94350-61306, 86381-38348

মুখ্য কাৰ্যালয়
এম বি ৰোড
(নগাঁও চিভিল হাস্পতালৰ পিছফালে)

**B A Animal Feed Centre**

ইয়াত গৰু, ছাগলী, হাঁহ, কুকুৰাৰ দানাৰ লগতে ব্ৰইলাৰ, হাঁহ, সোণালী, লোকেল পোৱালিৰ অৰ্ডাৰ লোৱা হয়।

Jab Performance Bolti Hai To Duniya Sunti Hai
UNNAT

যোগাযোগ নম্বৰ
94350-61306, 86381-38348

মুখ্য কাৰ্যালয়
এম বি ৰোড
(নগাঁও চিভিল হাস্পতালৰ পিছফালে)


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


Vijay Kothari
70021 26270 / 94350 61740
+91 3672-355137

**KOTHARI BROTHERS**

WE DEALS WITH

- Luggage
- Rasi
- Tripal/Polythene
- Fishing Net
- Doormats
- Carpet
- Bioblock Product
- School Bag
- Purse/Wallet
- Raincoat
- Umbrella
- Mattress
- Pillow/Blanket
- Sofa Cloth/Leather
- Wallpaper
- Blinds
- Curtains
- Grass Artificial
- Towels
- Korean
- Showpiece
- Purse/Watch

Old A.T. Road, Haibargaon-782002, Nagaon (Assam)
Email ID : kotharivijay2006@gmail.com


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


Samsul Hoque

**ROYAL UPVC**

**ROYAL GLASS & STEEL WORKS**

*A House of Quality Designing & Processing Works*

- Door / Window Partition
- Glass Work
- Ceiling
- ACP Works
- Aluminium Works
- S.S. Works
- Window Partition

A.T. ROAD, PANIGAON, NAGAON-782003 (ASSAM)
CONTACT NO : 9435063504 / 9706157765


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


কাৰেং
Electronics & Furniture
**Kareng**
A Name You Can Trust

চিনাকী
**Chinaki**
A Name You Can Trust

Choose Your Dreams

Email : poras.kalita@gmail.com

Contact : 9435062673, 7002693116


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


Nilim Ranjan Gogoi
Managing Director

**JASINGFAA AQUA TOURISM RESORT**

MAHRUL, DIMORUGURI, NAGAON : ASSAM
Email : jasingfaanagaon@gmail.com

Contact No : 8724973368 / 7002801387


## অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে


**HOTEL BABA 2**
**হোটেল বাবা ২**

Opp. Maruti Suzuki RD Motors, A.T. Road, Haibargaon, Khutikatia, Nagaon (Assam)

আমাৰ ইয়াত নিৰামিষ ভাত (ভেজ), ছাগলী মাংস, ব্ৰইলাৰ মাংল লোকেল মুৰ্গী, লোকেল মাছ, কণীৰ আঞ্জা, হাঁহৰ মাংস, আদি পোৱা যায়।

- Veg Thali
- Mutton Curry
- Local Chicken
- Local Fish
- Duck Curry
- Egg Curry

প্ৰত্যেক বুধবাৰে ইলিছ মাছ পোৱা যায়।
প্ৰত্যেক শুক্ৰবাৰে বৰালী শ'ল মাছ পোৱা যায়।

Contact No : 7002972562/ 8638081784

**FINE DINE**
*Taste of Assam*

**ভাত**

মাছ, মাংস, পৰঠা, পুৰি, ৰুটি

- Chowmin
- Burger
- Chicken Item
- Maggi
- Biryani
- Pasta
- Fried Rice
- Roll
- Mutton Item
- Paneer
- Pakora
- Coffee
- Tea

A.T. Road, Near Morigaon Bus Stand
Nagaon (Assam)


স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০০৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা